# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-06-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংহত জনজাতি উন্নয়ন সংস্থা আৰু সংহত জনজাতি উন্নয়ন প্ৰকল্পসমূহ শক্তিশালী কৰাৰ লক্ষ্যৰে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় সন্মিলন শুভাৰম্ভ কৰে।
২। ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰক চেৰ পেলাই বাৰ্ষিক সৌৰশক্তি উৎপাদন সামৰ্থ্য বৃদ্ধিৰ ক্ষেত্ৰত ২০২৫ বৰ্ষত বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ সৌৰ শক্তি বিকাশ বজাৰ হিচাপে পৰিগণিত হৈছে।
৩। গুৱাহাটীত আই আই এম স্থাপনৰ কাম-কাজ দ্ৰুতগতিত আগবাঢ়িছে বুলি অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।
৪। কৰ্ণাটকৰ কংগ্ৰেছ দলৰ বিধায়িনী নেতা ডি কে শিৱকুমাৰে আজি ৰাজ্যখনৰ ২৫ সংখ্যক মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব।

আৰু

৫। মহিলা SAFF ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত আজি ভাৰত ভূটানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

~~0000000~~

সংহত জনজাতি উন্নয়ন সংস্থা আৰু সংহত জনজাতি উন্নয়ন প্ৰকল্পসমূহ শক্তিশালী কৰাৰ লক্ষ্যৰে নতুন দিল্লীত আয়োজিত ৰাষ্ট্ৰীয় সন্মিলন আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে শুভাৰম্ভ কৰে। অনুষ্ঠানত দিয়া ভাষণত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে দেশৰ বিভিন্ন প্ৰান্তৰ জনজাতীয় সমাজসমূহ সাংস্কৃতিকভাৱে চহকী আৰু সেয়েহে এই সম্প্ৰদায়সমূহক আগবঢ়াই নিয়াৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰা উচিত। দেশৰ শেষ প্ৰান্তৰ অন্তিমটো পৰিয়াল আৰু অন্তিমখন গাঁৱকো উন্নয়নে স্পৰ্শ কৰা উচিত বুলি শ্ৰীমতী মুৰ্মুৱে কয়। এতিয়াও জনজাতীয় সম্প্ৰদায়ৰ বহু লোক উন্নয়নমূলক কাম-কাজ সম্পৰ্কে অৱগত নহয় বুলি তেওঁ মন্তব্য কৰে।

উল্লেখযোগ্য যে চলিত বৰ্ষৰ জনজাতীয় গৰিমা উৎসৱৰ অংশ হিচাপে এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আজি বেংগালুৰুৰ ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠানৰ নেন' চায়েন্স আৰু ইঞ্জিনিয়াৰিং চেণ্টাৰত ভাৰ্চুৱেল ব্যৱস্থাৰে এটা প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰিব। তেওঁ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ একলব্য আদৰ্শ আৱাসিক বিদ্যালয়ত স্থাপন কৰা ৭৫টা মহাকাশ পৰীক্ষাগাৰো মুকলি কৰিব। এই সন্মিলনত সমগ্ৰ দেশত জনজাতি উন্নয়নৰ বাবে প্ৰতিষ্ঠানগত ব্যৱস্থাসমূহ অধিক শক্তিশালী কৰা সন্দৰ্ভত আলোকপাত কৰা হ'ব। ২৬ খন ৰাজ্য আৰু ৪ খন কেন্দ্ৰীয়শাসিত অঞ্চলৰ প্ৰতিনিধিয়ে এই সন্মিলনত অংশগ্ৰহণ কৰিব।

০০০০০০০০০

ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰক চেৰ পেলাই বাৰ্ষিক সৌৰশক্তি উৎপাদন সামৰ্থ্য বৃদ্ধিৰ ক্ষেত্ৰত ২০২৫ বৰ্ষত বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ সৌৰ শক্তি বিকাশ বজাৰ হিচাপে পৰিগণিত হৈছে। কেন্দ্ৰীয় নতুন আৰু নৱীকৰণযোগ্য শক্তি দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি এই সাফল্যৰ বিষয়ে সদৰি কৰি কয়, যে দেশৰ সৌৰ শক্তি বিকাশ গাঁথাই গোলকীয় মান স্থাপন কৰিবলৈ সমৰ্থ হৈছে আৰু নীতিগত সমৰ্থন, উদ্ভাৱন আৰু বিশ্বমানৰ আন্তঃগাঁথনিৰ বলত অভিলেখ পৰিমাণৰ উৎপাদন সামৰ্থ্য বৃদ্ধিৰে নতুন ইতিহাস ৰচনা কৰিছে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দেশৰ নিকা শক্তিলৈ ৰূপান্তৰৰ প্ৰক্ৰিয়া তীব্ৰতৰ হৈ উঠিছে, বহনক্ষম উন্নয়নে গতি লাভ কৰিছে আৰু নৱীকৰণযোগ্য শক্তিৰ ক্ষেত্ৰত গোলকীয় নেতা হিচাপে দেশৰ স্থিতি সবল হৈ উঠিছে।

০০০০০০০০০

গুৱাহাটীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান, আই আই এম স্থাপনৰ কাম-কাজ দ্ৰুতগতিত আগবাঢ়িছে বুলি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক নতুন দিল্লীত সাক্ষাৎ কৰাৰ পাছত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। ডং শৰ্মাই শিক্ষামন্ত্ৰীগৰাকীৰ সৈতে ৰাজ্যৰ শিক্ষাৰ আন্তঃগাঁথনি শক্তিশালী কৰা আৰু অসমক উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টা সন্দৰ্ভত আলোচনা কৰে। সামাজিক মাধ্যম এক্সত এই বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে আই আই এমৰ প্ৰস্তাৱিত চৌহদ সন্দৰ্ভত মন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে শ্ৰী প্ৰধানক ৰাজ্যৰ শিক্ষা আন্তঃগাঁথনি উন্নীতকৰণৰ ক্ষেত্ৰত আগবঢ়োৱা সহায়ৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। প্ৰস্তাৱিত আই আই এমে ৰাজ্যখনক উত্তৰ-পূব ভাৰতৰ শিক্ষা, গৱেষণা আৰু বিদ্যায়তনিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাত বিশেষ ভূমিকা ল'ব বুলি তেওঁ উল্লেখ কৰে। তদুপৰি প্ৰতিষ্ঠানটো স্থাপনৰ ফলত ব্যৱস্থাপনা শিক্ষা, দক্ষতা বিকাশ আদি ক্ষেত্ৰৰো উন্নতি সাধন হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। ডং শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰি তেওঁৰ সৈতে পথ পৰিবহণ বিষয়ত বিভিন্ন কথা আলোচনা কৰে। তেওঁ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী জিতিন প্ৰসাদাৰ সৈতেও আলোচনাত মিলিত হয়।

০০০০০০০০০

কৰ্ণাটকৰ কংগ্ৰেছ দলৰ বিধায়িনী নেতা ডি কে শিৱকুমাৰে আজি ৰাজ্যখনৰ ২৫ সংখ্যক মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। বিয়লি ৪ বাজি ৫ মিনিটত বেংগালুৰুত আয়োজিত এটা অনুষ্ঠানত ৰাজ্যপাল থাৱৰচান্দ গেহলটে মুখ্যমন্ত্ৰীগৰাকীক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱাব। কৰ্ণাটকৰ প্ৰাক্তন গৃহমন্ত্ৰী ড০ জি পৰমেশ্বৰে ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। আজি অন্য ১০ গৰাকী বিধায়কেও মন্ত্ৰী হিচাপে শপত ল'ব। কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধী, দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, দলৰ সাধাৰণ সম্পাদক কে চি বেনুগোপাল আৰু ৰণদীপ সিং সুৰ্যেৱালা, আধ্যাত্মিক নেতা, লেখক, অভিনেতা আৰু বিশিষ্ট উদ্যোগীসকল এই অনুষ্ঠানত উপস্থিত থাকিব। লোকভৱনত আয়োজিত এই অনুষ্ঠানৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে ৩ হাজাৰৰো অধিক আৰক্ষী কৰ্মী নিয়োগ কৰা হৈছে। জনসাধাৰণে শপতগ্ৰহণ অনুষ্ঠান প্ৰত্যক্ষ কৰিব পৰাকৈ মহানগৰীৰ ঠায়ে ঠায়ে এল ই ডি স্ক্ৰীন লগোৱা হৈছে।

০০০০০০০০

আজি বিশ্ব বাইচাইকেল দিৱস। পৰিৱেশ সুৰক্ষা আৰু স্বাস্থ্য ৰক্ষাৰ অন্যতম আহিলা হিচাপে চাইকেলৰ ব্যৱহাৰ তথা ব্যয়সাধ্য সহজ নিৰ্ভৰযোগ্য আৰু পৰিৱেশ অনুকুল পৰিবহণৰ মাধ্যমৰূপে চাইকেল চলোৱাৰ প্ৰতি সজাগতা সৃষ্টি কৰিবলৈ ৩ জুনত এই দিৱস পালন কৰা হয়। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই তুৰ্কমেনিস্তান চৰকাৰৰ এটা প্ৰস্তাৱমৰ্মে এই দিৱস পালনৰ সিদ্ধান্ত লৈছিল। এইবাৰৰ এই দিৱসৰ বিষয় হৈছে – 'সেউজ ভৱিষ্যতৰ বাবে চাইকেল চলোৱা'। কাৰ্বন নিৰ্গমন ৰোধ কৰা, যান-জঁট দূৰ কৰা আৰু সুস্থ তথা বহনক্ষম নগৰীয়া জীৱন সৃষ্টিৰ ক্ষেত্ৰত চাইকেলৰ বিশেষ গুৰুত্ব আছে।

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই দেশৰ যুৱ প্ৰজন্মক চাইকেল চলাবলৈ আৰু সুস্থ-সৱল তথা সেউজ ৰাষ্ট্ৰ গঢ়ি তোলাত অগ্ৰণী ভূমিকা পালন কৰিবলৈ আহ্বান জনাইছে। বিশ্ব বাইচাইকেল দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয়, যে চাইকেল চলোৱাৰ নিয়মীয়া অভ্যাসে সুষম আৰু শৃংখলাবদ্ধ জীৱনশৈলীক উদগনি যোগোৱাৰ লগতে সুস্থিৰ পৰিৱেশ আৰু নিকা পৰিবহণ ব্যৱস্থাৰ প্ৰসাৰত সহায় কৰে। তেওঁ কয়, যে চাইকেল চলোৱাৰ অভ্যাসে এগৰাকী ব্যক্তিক শাৰীৰিক, মানসিক সুস্থতা বৰ্তাই ৰখাতেই নহয়, বৰং এখন সুস্থ আৰু সেউজ ৰাষ্ট্ৰ গঢ়াতো অৰিহণা যোগায়।

বাইট

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই চাইকেল দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত শাৰীৰিক সক্ৰিয়তা আৰু সুস্বাস্থ্যৰ বাবে চাইকেল মহৌষধ বুলি উল্লেখ কৰে। তেওঁ প্ৰকৃতিৰ সৈতে সহাৱস্থান আৰু নিজক নিৰোগী কৰি ৰখাৰ স্বাৰ্থত সকলোকে চাইকেল চলোৱাৰ অভ্যাস গঢ়ি তুলিবলৈ আহ্বান জনায়।

০০০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চি বি এছ্ ইয়ে প্ৰকাশ কৰা মতে প্ৰায় ৪০ হাজাৰ শিক্ষাৰ্থীয়ে পুনৰ মূল্যায়নৰ আবেদন সফলতাৰে দাখিল কৰিছে আৰু কোনোধৰণৰ অসুবিধা অবিহনে আবেদনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিছে। চি বি এছ্ ইয়ে কালি ইয়াৰ অধীনৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ উত্তৰ বহীৰ স্কেনড কপি পুনৰ মূল্যায়নৰ বাবে লাইভ প’ৰ্টেল মুকলি কৰে। অহা ৬ জুন পৰ্যন্ত এই প’ৰ্টেল মুকলি থাকিব বুলি চি বি এছ্ ইয়ে প্ৰকাশ কৰিছে। বোৰ্ডে এটা বিবৃতি যোগে কয়, যে উত্তৰ বহীৰ স্কেনড কপি লাভ কৰা শিক্ষাৰ্থীসকলেহে এই সুবিধা লাভ কৰিব। সুৰক্ষাজনিত কাৰণত আধাৰ প্ৰত্যায়িতকৰণ ব্যৱস্থাও এই সুবিধাত সংলগ্ন কৰা হৈছে। আধাৰ নম্বৰ নথকা শিক্ষাৰ্থীসকলে পিতৃ-মাতৃ, অভিভাৱক বা অন্য নিকতাত্মীয়ৰ আধাৰ নম্বৰ ব্যৱহাৰ কৰিব পাৰিব। চি বি এছ্ ইৰ সূত্ৰই প্ৰকাশ কৰা মতে প্ৰতিখন উত্তৰ বহী মূল্যায়নৰ বাবদ ছাত্ৰ-ছাত্ৰীয়ে ১০০ টকাকৈ আৰু প্ৰতিটো প্ৰশ্নৰ মূল্যায়ণৰ বাবদ ২৫ টকাকৈ আদায় দিব লাগিব। এই মাছুল অনলাইন পদ্ধতি অৰ্থাৎ ইউ পি আই, ক্ৰেডিট কাৰ্ড, ডেভিড কাৰ্ড অথবা নেট বেংকিং ব্যৱস্থাৰে দিব পাৰিব। ইয়াৰ বাবে চি বি এছ্ ইয়ে মুকলি কৰা ভিডিঅ’ চাই এই ব্যৱস্থা সম্পৰ্কে সবিশেষ অৱগত হ’বলৈ আহ্বান জনোৱা হৈছে। উল্লেখযোগ্য যে, ব’ৰ্ড পৰীক্ষাৰ নম্বৰত অসন্তুষ্ট ছাত্ৰ-ছাত্ৰীক উত্তৰ বহী পুনৰ পৰীক্ষা কৰাৰ সুযোগ প্ৰদান কৰাৰ বাবে কৰ্তৃপক্ষই যোৱা ২৬ মে’ত অনলাইন প’ৰ্টেল লাইভ হ’ব বুলি ঘোষণা কৰিছিল যদিও কাৰিকৰী বিজুতীৰ বাবে ১ জুনলৈ এই সময় বৃদ্ধি কৰা হৈছিল। অৱশ্যে কালি অনলাইন প’ৰ্টেলটো মুকলি কৰিব পৰা নগ’ল।

০০০০০০

উচ্চতম ন্যায়ালয়ে আৰাৱলী পৰ্বতমালাৰ সংজ্ঞা আৰু সীমা নিৰ্ধাৰণ সম্পৰ্কীয় কেন্দ্ৰীয় প্ৰতিবেদনৰ স্বতন্ত্ৰ পৰ্যালোচনা কৰিবলৈ এখন উচ্চ পৰ্যায়ৰ বিশেষজ্ঞ কমিটী গঠন কৰিছে। ভাৰতীয় বন গৱেষণা আৰু শিক্ষা পৰিষদৰ সঞ্চালক প্ৰধান কাঞ্চন দেৱীয়ে এই কমিটীখনৰ নেতৃত্ব বহন কৰিব। কমিটীখনত অহা ৩১ আগষ্টৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হৈছে। সৰ্বোচ্চ ন্যায়ালয়ে কয়, যে আৰাৱলী পৰ্বতমালাৰ পৰিৱেশ সংৰক্ষণৰ সৈতে জড়িত বিষয়সমূহৰ নিষ্পত্তিৰ বাবে নিৰপেক্ষ আৰু বিজ্ঞানসন্মত মূল্যায়ন জৰুৰী। ন্যায়ালয়ে ইয়াৰ পূৰ্বে পৰিৱেশ মন্ত্ৰালয়ে যোৱা অক্টোবৰত দাখিল কৰা প্ৰতিবেদনৰ ৰূপায়ণৰ স্থগিতাদেশ দিছিল আৰু স্বতন্ত্ৰ বিশেষজ্ঞৰ দ্বাৰা নতুনকৈ পৰ্যালোচনা কৰিবলৈ কৈছিল।

০০০০০০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড° এল মুৰুগানে মিজোৰামৰ জনসাধাৰণক ৰাষ্ট্ৰ গঢ়াৰ প্ৰক্ৰিয়ালৈ বৰঙণি আগবঢ়াই ২০৪৭ চনৰ বিকশিত ভাৰতৰ সক্ৰিয় অংশীদাৰ হ’বলৈ আহ্বান জনাইছে। কালি মিজোৰামত উপস্থিত হোৱা মন্ত্ৰীগৰাকীয়ে লেংপুই বিমান বন্দৰত অৱতৰণ কৰাৰ পাছত ক’লাছিব জিলাত চৰকাৰী বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। তেওঁ বিষয়াসকলক কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহ সঠিকভাৱে ৰূপায়ণ কৰি দেশক বিকশিত ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰাত ভূমিকা ল’বলৈ আহ্বান জনায়। ড° মুৰুগানে মিজোৰামৰ মহিলা সৱলীকৰণ আৰু ক্ৰীড়াক্ষেত্ৰৰ উন্নয়নক প্ৰশংসা কৰে। তেওঁ লগতে বৈৰবী আৰু ছাইৰাং সংযোগী নতুন ৰে’লপথে ৰাজ্যখনৰ উন্নয়নক অন্য মাত্ৰা প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰে। মিজোৰামৰ প্ৰাকৃতিক সৌন্দৰ্যৰ প্ৰশংসা কৰি ড° মুৰুগানে কয়, যে দেশৰ ভিন্ন প্ৰান্তৰ চলচ্চিত্ৰ নিৰ্মাতাসকলে মিজোৰামক দৃশ্যায়নৰ উত্তম থলী হিচাপে বাছনি কৰিব পাৰে। এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ এখন পি এম শ্ৰী বিদ্যালয় আৰু আঞ্চলিক ক্ৰীড়া প্ৰশিক্ষণ কেন্দ্ৰ পৰিদৰ্শন কৰে।

০০০০০০০০০

সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰী ড° বীৰেন্দ্ৰ কুমাৰৰ অধ্যক্ষতা আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী অনুসূচিত জাতি অভ্যুদয় যোজনা চমুকৈ পিএম-অজয় সন্দৰ্ভত কেন্দ্ৰীয় পৰামৰ্শদাতা সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হ’ব। এই বৈঠকত আঁচনিখনৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে সমগ্ৰ দেশত অনুসূচিত জাতিৰ লোকসকলৰ আৰ্থ সামাজিক বিকাশ উন্নত কৰাৰ বিভিন্ন কৌশল সন্দৰ্ভত আলোচনা কৰা হ’ব। আলোচনাত পিএম-অজয় আঁচনিৰ ৰূপায়ণ অধিক শক্তিশালী কৰাৰ লগতে অধিক সংখ্যক যোগ্য হিতাধিকাৰীয়ে যাতে আঁচনিখনৰ সুফল লাভ কৰিব পাৰে তাক নিশ্চিত কৰা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা

হ'ব। এই আঁচনিৰ অধীনত বাকী থকা প্ৰায় ৩২ হাজাৰ গাঁৱৰ বাবে আদৰ্শ গ্ৰামৰ লক্ষ্যত উপনীত হোৱাৰ সন্দৰ্ভতো আলোচনা কৰা হ'ব।

oooooooo

মহিলা SAFF ফুটবল প্ৰতিযোগিতাত আজি গোৱাৰ মাডগাঁৱত হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত ভাৰত ভূটানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। পাঁচবাৰৰ চেম্পিয়ন ভাৰতে গ্ৰুপ বিৰ আটাইকেইখন খেলত জয়লাভ কৰি পইণ্ট তালিকাৰ শীৰ্ষত আছে। ভাৰতে নিজৰ প্ৰথমখন খেলত মালদ্বীপক ১১-০ গ'লত পৰাভূত কৰে আৰু দ্বিতীয়খন খেলত যোৱাবাৰৰ চেম্পিয়ন বাংলাদেশক ৩-০ গ'লত পৰাস্ত কৰে।

ooooooooo

ইণ্ডোনেছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ পি ভি সিন্ধুৱে নিজৰ প্ৰথমখন খেলত জয়লাভ কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। অৱশ্যে পুৰুষৰ ছিংগলছৰ শাখাত ভাৰতৰ লক্ষ্য সেন প্ৰথম ৰাউণ্ডতে পৰাজিত হ'বলগীয়া হয়। পুৰুষৰ ছিংগলছত আজি এইচ এছ প্ৰণয়ে আয়াৰলেণ্ডৰ খেলুৱৈৰ বিৰুদ্ধে আৰু আয়ুষ ছেট্টীয়ে চীনৰ খেলুৱৈৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইপিনে, পুৰুষৰ ডাবলছত ভাৰতৰ সাত্বিকছাইৰাজ ৰণকীৰেড্ডি আৰু ছিৰাগ ছেট্টীৰ যুঁটীটোৱে মালয়েছিয়াৰ যুঁটীৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব। মিক্সড ডাবলছত ৰোহণ কাপুৰ আৰু ৰুত্বিকা শিৱানীৰ যুঁটীটোৱে টাইৱানৰ যুঁটীৰ বিৰুদ্ধে খেলিব।

ooooooooo

সমাপ্ত